GSAC S6 01

Exam Code: CS

অসমীয়া সংস্কৃতি অধ্যয়ন

ষষ্ঠ ষাণ্মাসিক (বৈকল্পিক পাঠ্যবিষয়)

অসমৰ লোকসংস্কৃতি অধ্যয়ন



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° প্রদীপ জ্যোতি **মহন্ত**, অধ্যাপক (অৱসৰপ্রাপ্ত), তেজপুৰ বিশ্ববিদ্যালয়

ড° মাধৱ চন্দ্র **শর্মা**, সঞ্চালক (অৱসৰপ্রাপ্ত), আভ্যন্তৰীণ মান নিশ্চয়তা কেন্দ্র, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
১	ড° সুৰভি মাধুৰী গগৈ, প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী
২, ৩, ৪ আৰু ৫	ড° জোনমণি গগৈ, গুৱাহাটী

সম্পাদনা ঃ

গাঁথনিক, বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী

প্রথম প্রকাশ ঃ ডিচেম্বৰ, ২০১৯

ISBN 978-93-89559-67-5
978-93-89559-67-5

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

		নম্বৰ বিভাজন	পৃষ্ঠা নং
অধ্যায় ১ ঃ	**লোকসংস্কৃতিৰ সাধাৰণ পৰিচয়**	২০	৫-১৮
	লোকসংস্কৃতি — সাধাৰণ পৰিচয়; অসমৰ লোকসংস্কৃতি ঃ মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকপ্রথা বা লোকাচাৰ, লোকপৰিৱেশ্য কলা		
অধ্যায় ২ ঃ	**মৌখিক সাহিত্য**	২০	১৯-৩৪
	মৌখিক সাহিত্য; অসমীয়া মৌখিক সাহিত্য		
অধ্যায় ৩ ঃ	**সামাজিক লোকাচাৰ**	২০	৩৫-৫০
	সামাজিক লোকাচাৰ ঃ লোকবিশ্বাস আৰু লোকধর্ম, লোক উৎসৱ-অনুষ্ঠান, অৱসৰ-বিনোদন আৰু খেল-ধেমালি, লোকঔষধ আৰু লোকচিকিৎসা		
অধ্যায় ৪ ঃ	**ভৌতিক সংস্কৃতি**	২০	৫১-৬৬
	ভৌতিক সংস্কৃতি ঃ লোকশিল্প, লোককলা, লোকস্থপতি বিদ্যা, লোকআভৰণ, লোকৰন্ধন প্রণালী		
অধ্যায় ৫ ঃ	**লোকপৰিৱেশ্য কলা**	২০	৬৭-৮৪
	লোকপৰিৱেশ্য কলা; অসমৰ লোকপৰিৱেশ্য কলা ঃ লোকসংগীত, লোকনাট্য		
প্রসঙ্গ পুথি			৮৫-৮৭

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমৰ লোকসংস্কৃতি অধ্যয়ন

এই পাঠ্যবিষয়খন **অফিচ মেনেজমেণ্ট**ৰ বৈকল্পিক পাঠ্যবিষয় হিচাপে প্ৰস্তুত কৰা হৈছে। পাঠ্যবিষয়টিয়ে আপোনাক অসমীয়া লোকসংস্কৃতিৰ সম্যক ধাৰণা প্ৰদান কৰিব। অসমীয়া সংস্কৃতিৰ অধ্যয়নৰ প্ৰসংগত আমি অসমীয়া লোকসংস্কৃতিৰ বিষয়ে অধ্যয়ন নকৰিলে সেয়া আধৰুৱা হৈ ৰ'ব। সাধাৰণভাৱে ক'বলৈ হ'লে লোকসমাজৰ সামাজিক আচৰণেই লোকসংস্কৃতি। অৰ্থাৎ লোকসংস্কৃতি লোকজীৱনৰ দলিলস্বৰূপ। কোনো এটা জাতিৰ চিন্তা-চৰ্চা, বিশ্বাস-পৰম্পৰা, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, ধৰ্ম আদি সেই জাতিটোৰ লোকসাংস্কৃতিক উপাদানসমূহৰ অধ্যয়নৰ জৰিয়তে জানিব পাৰি। অসমীয়া জাতিৰ সম্পূৰ্ণ পৰিচয় পাবলৈ হ'লে আমি অসমীয়া লোকসংস্কৃতিৰ বিষয়েও অধ্যয়ন কৰিব লাগিব। লোকসংস্কৃতিক আকৌ বিভিন্ন পণ্ডিতে ভিন ভিন ধৰণে ভাগ কৰি দেখুৱাইছে। তাৰে ভিতৰত এটি উল্লেখযোগ্য বিভাজন হ'ল প্ৰসিদ্ধ লোকসংস্কৃতিবিদ ৰিচার্ড এম. ডৰচনে কৰা শ্ৰেণীবিভাজনটি। যথা — (ক) মৌখিক সাহিত্য (Oral Literature), (খ) ভৌতিক সংস্কৃতি (Material Culture), (গ) সামাজিক লোকপ্ৰথা বা লোকাচাৰ (Social Folk Custom) আৰু (ঘ) লোকপৰিৱেশ্য কলা (Folk Performing Art)। এই শ্ৰেণীবিভাজনৰ আধাৰতে অসমীয়া লোকসংস্কৃতিক বিভাজন কৰি আলোচনা কৰিব পাৰি। আমাৰ এই পাঠ্যবিষয়টিত লোকসংস্কৃতিৰ সংজ্ঞা দাঙি ধৰি ইতিমধ্যে উল্লেখ কৰা শ্ৰেণীবিভাজনৰ আধাৰতে অসমীয়া লোকসংস্কৃতিৰ বিষয়ে আলোচনা কৰা হৈছে। পাঠ্যবিষয়টিৰ অধ্যয়নে আপোনাক অসমীয়া লোকসংস্কৃতি সম্পৰ্কে সম্যক জ্ঞান প্ৰদান কৰিব।

আলোচনাৰ সুবিধাৰ্থে এই পাঠ্যবিষয়টি মুঠ পাঁচটা অধ্যায়ত ভাগ কৰি লোৱা হৈছে। প্ৰথম অধ্যায়টোৰ শিৰোনাম 'লোকসংস্কৃতিৰ সাধাৰণ আভাস'। ইয়াত লোকসংস্কৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰি অসমীয়া লোকসংস্কৃতি সম্পৰ্কে আলোচনা কৰা হৈছে। 'মৌখিক সাহিত্য' শীৰ্ষক দ্বিতীয় অধ্যায়টোত মৌখিক সাহিত্যৰ চমু পৰিচয় দাঙি ধৰি অসমীয়া মৌখিক সাহিত্য সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল। ঠিক সেইদৰেই ক্ৰমান্বয়ে তৃতীয়ৰ পৰা পঞ্চম অধ্যায়লৈ ক্ৰমে সামাজিক লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু লোকপৰিৱেশ্য কলা সম্পৰ্কে আলোচনা কৰি অসমৰ লোকসংস্কৃতিৰ এই দিশবোৰৰ ওপৰত আলোকপাত কৰা হৈছে। পাঠ্যবিষয়টিৰ অধ্যয়নে আপোনাক অসমীয়া লোকসংস্কৃতি সম্পৰ্কে সম্যক পৰিচয় প্ৰদান কৰিব।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগ বঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটামান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টোৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।